# অসম বিধান সভা
## তৰাবিহীন প্ৰশ্ন নং - ১৪২
## উত্তৰ দানৰ তাৰিখ – ০৮/০৭/২০২৬

তৰাবিহীন প্ৰশ্ন নং – ১৪২

বিষয়ঃ জলসিঞ্চনৰ ব্যৱস্থা গ্ৰহণ সন্দৰ্ভত বিধায়ক – শ্ৰী দীপক কুমাৰ দাসঃ

**মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**(ক)** বৰপেটা সমষ্টিৰ অন্তৰ্গত নসত্ৰ, মাজকুছি, বাৰাদি আৰু কেওঁটকুছিৰে সংলগ্ন প্ৰায় ১০০০ (এক হাজাৰ) বিঘা কৃষিভূমিত বৰ্তমানেও জলসিঞ্চনৰ ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই, এই বিষয়ে চৰকাৰ অৱগত নে ?

**(খ)** যদি অৱগত, ৰাজ্য চৰকাৰে ২০২৬-২৭ বৰ্ষৰ বাজেটত ওপৰোক্ত অঞ্চলসমূহৰ বাবে জলসিঞ্চনৰ আঁচনি গ্ৰহণ কৰিছে নেকি ? জনাব।

**মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা মহোদয়ে উত্তৰ দিবঃ**

**(ক)** বৰপেটা সমষ্টিৰ অন্তৰ্গত বাৰাদি, নসত্ৰ, বৰঘোপা, লচিমা আৰু বামুনাগাওঁত অৱস্থিত জলসিঞ্চন আঁচনিসমূহৰ জৰিয়তে সুবিধাপ্ৰাপ্ত কৃষিভূমি সমূহৰ তালিকা -

| ক্ৰমিক নং | আচঁনিৰ নাম | উপকৃত গাঁওৰ নাম | জলসিঞ্চনৰ সুবিধা লাভ কৰা আনুমানিক কৃষিভূমিৰ পৰিমান | মন্তব্য |
|---|---|---|---|---|
| (ক) | ন-বৰাদি গভীৰ নলীনাদ আচনি- ২০১৮-১৯ বিত্তীয় বৰ্ষ | বাৰাদি | ৭৫ বিঘা | |
| (খ) | মধ্যম গভীৰ নলীনাদ আচনি (৩ টা পইন্ট) ২০২৩-২৪ বিত্তীয় বৰ্ষ | নসত্ৰ বৰঘোপা, লচিমা | ২২৫ বিঘা | |
| (গ) | মধ্যম গভীৰ নলীনাদ আচনি (৬ টা পইন্ট) ২০২৪-২৫ বিত্তীয় বৰ্ষ | বাৰাদি, বামুনা | 300 বিঘা | ৪ টা পইন্ট সম্পূৰ্ন হৈছে। (বাৰাদি পইন্ট নং-১, ২, ৩ আৰু বামুনা পইন্ট)<br>২ টা পইন্টৰ কাম সম্পূৰ্ন হোৱা নাই। (বাৰাদি পইন্ট নং- ৪,৫)<br>২ টা পইন্টৰ কাম সম্পূৰ্ন হ'লে অতিৰিক্ত ১৫০ বিঘা কৃষিভূমিত জলসিঞ্চনৰ সুবিধা লাভ কৰিব। |

**(খ)** ২০২৬-২৭ বিত্তীয় বৰ্ষত কৃষকৰ চাহিদা আৰু অঞ্চলটোৰ সম্ভাৱনীয়তাৰ মূল্যায়নৰ ভিত্তিত নতুন কৃষিভূমিক জলসিঞ্চনৰ আওতালৈ অন্তৰ্ভুক্ত কৰাৰ লক্ষ্যৰে বিভাগে প্ৰয়োজনীয় অধ্যয়ন আৰু পৰিকল্পনা গ্ৰহণ কৰিব।

XXXXX